ডঃ ভূপেন হাজৰিকাৰ মৃত্যুতিথি পালনৰ প্ৰতিবেদন :

তাৰিখ : ৫ নভেম্বৰ ২০২৩ ইং চন ।

স্থান : অসমীয়া বিভাগৰ শ্ৰেণীকক্ষ ।

মূল বিষয় :' ভূপেন হাজৰিকাদেৱৰ গীত' সম্পৰ্কে আলোচনা ।





টোকা : শালবাৰী কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত তথা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰ্নায়ক কোষৰ সহযোগত আজি ৫ নভেম্বৰ ২০২৩ ইং তাৰিখে ডঃ ভূপেন হাজৰিকাদেৱৰ মৃত্যু তিথি পালন কৰা হয় । উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি তেওঁৰ কিছু সংখ্যক ৰচিত আৰু পৰিবেশিত গীত সমূহৰ বিষয়ে আলোচনা কৰা হয় । অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বুৰঞ্জী বিভাগৰ মূৰব্বী অধ্যাপক তথা IQAC ৰ সমন্বয়ক ডঃ দুলেন বসুমতাৰী দেৱে । ডঃ বসুমতাৰী দেৱে ডঃ ভুপেন হাজৰিকা দেৱৰ কালজয়ী গীত সমূহৰ এক সৰল বিশ্লেষণ আগবঢ়ায় আৰু কিছু সংখ্যক গীতৰ কলি গুণগুনাই ছাত্ৰ-ছাত্ৰী সকলক কিছু আমোদ দিয়ে । লগতে বিভাগৰ মূৰব্বী অধ্যাপিকা নিতুমনি দাসে হাজৰিকা দেৱৰ গীতৰ বিষয়ে এক সুন্দৰ আলোচনা দাঙি ধৰে ।

অলোচনা চক্ৰৰ ফলাফল: আজিৰ অনষঠানটিৰ আঁতধৰে অসমীয়া বিভগৰ সহকাৰী অধ্যাপিকা নৰ্মদা বসুমতাৰীয়ে । অনুষ্ঠানটিৰ জৰিয়তে ডঃ ভূপেন হাজৰিকাৰ কৰ্মজীৱনৰ সু-সৃষ্টি গীত সমূহৰ বিষয়ে অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ লগতে আন আন ছাত্ৰ-ছাত্ৰী সকলেও অৱগত হয় । ভবিষ্যতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰি প্ৰতিভা বিকাশৰ সুযোগ প্ৰদান কৰা হ'ব । শেষত অসমীয়া বিভগৰ সহকাৰী অধ্যাপিকা মীনা কাকতিয়ে শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানটিৰ সামৰণি মাৰে ।

Salbari College, Salbari
Estd.1983
Baksa,BTR,Assam

Principal
Salbari College, Salbari, Baksa